## ভাৰতীয় নীতিশাস্ত্ৰত কৰ্মবাদ
## (Karmavada in Indian Ethics)

কৰ্মবাদ ভাৰতীয় নৈতিক দৰ্শনৰ এক সাৰ্বিক প্ৰত্যয়। একমাত্ৰ চাৰ্বাক সম্প্ৰদায়ৰ বাহিৰে ভাৰতৰ সকলো দাৰ্শনিক সম্প্ৰদায়ে কৰ্মবাদৰ সাৰ্বিক সনাতন নৈতিক নিয়মক বিশ্বাস কৰে। বৈদিক আৰু অবৈদিক, আস্তিক আৰু নাস্তিক আদি সকলো ভৰতীয় দাৰ্শনিক সম্প্ৰদায়ে কৰ্মবাদৰ এই 'নিত্য নৈতিক নিয়মক' (Eternal Moral Order) বিশ্বাস কৰে। 'কৰ্ম' শব্দটো সংস্কৃত 'কৃ' ধাতুৰ পৰা আহিছে। 'কৃ' ধাতুৰ অৰ্থ হ'ল 'কাৰ্য কৰা'। সকলো ধৰণৰ কাৰ্য কৰাই হ'ল কৰ্ম। এই অৰ্থত শাৰীৰিক আৰু মানসিক আদি সকলো ধৰণৰ কাৰ্যই কৰ্ম। গতিকে কৰ্মবাদ বুলিলে বুজায় সকলো ধৰণৰ কৰ্ম কৰাৰ মতাবদ— যি মতবাদ অনুসৰি প্ৰত্যেক কৰ্মৰে এটা সুনিৰ্দ্দিষ্ট ফল আছে। কৰ্মবাদ অনুসৰি মানুহে তেওঁৰ নিজৰ কৃতকৰ্মৰ ফল ভোগ কৰিব লাগিব। যেনে কৰ্ম তেনে ফল। সৎ কৰ্মৰ ফল শুভ বা সৎ হয় আৰু অসৎ কৰ্মৰ ফল অশুভ বা অসৎ হয়। মানুহৰ বৰ্তমান জীৱন অতীত কৰ্মৰ ফল আৰু বৰ্তমান জীৱনৰ কৰ্মৰ দ্বাৰাই গঠিত হয় ভৱিষ্যত জীৱন। কৰ্মবাদৰ এই নিয়ম অমোঘ, চিৰন্তন আৰু অলংঘনীয়।

কৰ্মবাদৰ মূল কথা দুটা— (১) অকৃতপ্ৰণাশ অৰ্থাৎ কৃৰ্তকৰ্মৰ বিনাশ নাই। কৃতকৰ্মৰ ফল আমাৰ ভোগ কৰিবই লাগিব। কৃতকৰ্মৰ ফল ভাল বা বেয়া, শুভ বা অশুভ, সুখ বা দুখ হ'ব পাৰে। আমাৰ কৃতকৰ্মৰ ফলতেই আমি সুখ বা দুখ ভোগ কৰোঁ। (২) অকৃতাভ্যাগম অৰ্থাৎ অকৃতকৰ্মৰ ফল ভোগ কৰিব নালাগে। যি কৰ্ম আমাৰ দ্বাৰা সম্পাদিত হোৱা নাই তাৰ ফল আমাৰ ভোগ কৰিব নালাগে।

ব্যক্তিৰ জীৱনৰ বৈষম্যৰ ব্যাখ্যাৰ বাবে কৰ্মবাদেই উপযুক্ত যুক্তি। কৰ্মবাদৰ দ্বাৰাই ব্যক্তিৰ জীৱনৰ বৈষম্য বা পাৰ্থক্যক ব্যাখ্যা কৰা যায়। আমি আমাৰ দৈনন্দিন জীৱনত দেখোঁ যে, কোনো মানুহ সুখী, কোনোবাই আকৌ অত্যন্ত দুখী; কোনো মানুহ ৰোগী, কোনোবাই আকৌ সুস্থ; কোনোবাই ধনী, কোনোবাই আকৌ দৰিদ্ৰ; কোনো মানুহ সুদৰ্শন, কোনোবাই আকৌ কুৎসিৎ; কোনোবাই পণ্ডিত, কোনোবা আকৌ মূৰ্খ। কি যে বিচিত্ৰ এই মানৱ জীৱন। আকৌ, দেখা যায় যে এই জগতত ধাৰ্মিক ব্যক্তিয়ে দুখ ভোগ কৰে, কিন্তু অধাৰ্মিক ব্যক্তি

কৰ্মযোগী ফলাফলৰ আশা ত্যাগ কৰি সৰ্বসাধাৰণৰ কল্যাণৰ হকে কাম কৰে। এইখিনিতে এটা কথা উল্লেখযোগ্য যে নিষ্কাম কৰ্মৰো কিন্তু কৰ্মফল থাকে। নিষ্কাম কৰ্মৰ ফল হ'ল আত্মশুদ্ধি আৰু মোক্ষপ্ৰাপ্তি। গতিকে কৰ্মবাদৰ যি নিয়ম ই সাৰ্বিক; সকাম বা নিষ্কাম যিয়েই নহওক কিয়, প্ৰত্যেক কৰ্মৰে এটা সুনিৰ্দিষ্ট ফল আছে।

## ভাৰতীয় দৰ্শনত কৰ্মবাদৰ ধাৰণা
## (Concept of Karma in Indian Philosophy)

ভাৰতীয় দৰ্শনত চাৰ্বাক সম্প্ৰদায়ৰ বাহিৰে বাকী সকলো দাৰ্শনিক সম্প্ৰদায়ে কৰ্মবাদৰ নৈতিক নিয়মক স্বীকাৰ কৰিছে। ভাৰতীয় দৰ্শনৰ অবৈদিক সম্প্ৰদায়ৰ জৈন আৰু বৌদ্ধ দৰ্শনে কৰ্মবাদ স্বীকাৰ কৰিছে আৰু বৈদিক সম্প্ৰদায়ৰ সকলো দাৰ্শনিকে কৰ্মবাদক স্বীকৰ কৰিছে। বৈদিক আৰু অবৈদিক প্ৰত্যেক দাৰ্শনিক সম্প্ৰদায়েই এইটো মানিছে যে কৰ্মবাদৰ এই সনাতন নৈতিক নিয়ম চিৰন্তন আৰু অলংঘনীয়। জৈন কৰ্মবাদৰ নৈতিক মতবাদ অনুসৰি সকাম কৰ্মৰ বাবে জীৱই সুখ-দুখ ভোগ কৰি থাকে। নিষ্কাম কৰ্মৰ মাধ্যমত জীৱই মুক্তি লাভ কৰিব পাৰে। জৈন দৰ্শনে জীৱৰ কৰ্ম বন্ধনৰ কাৰণ হিচাপে আঠ প্ৰকাৰৰ কৰ্মৰ উল্লেখ কৰিছে। এই আঠ প্ৰকাৰৰ কৰ্মৰ বাবেই জীৱই কৰ্ম বন্ধনত আৱদ্ধ হৈ পুনঃপুনঃ জন্মগ্ৰহণ কৰিবলগা হয়। এই আঠ প্ৰাকৰৰ কৰ্ম হ'ল— (১) জ্ঞানাবৰণীয় কৰ্ম, (২) দৰ্শনাবৰণীয় কৰ্ম, (৩) বেদনীয় কৰ্ম, (৪) মোহনীয় কৰ্ম, (৫) নাম কৰ্ম, (৬) গোত্ৰ কৰ্ম, (৭) অন্তৰায় কৰ্ম আৰু (৮) আয়ুষ্য কৰ্ম। জ্ঞানাবৰণীয় কৰ্মত আত্মাৰ স্বৰূপ জ্ঞান আবৃত থাকে। দৰ্শনাবৰণীয় কৰ্মত সম্যক দৃষ্টি ব্যাহত হয়। বেদনীয় কৰ্মত সুখ-দুখৰ অনুভূতি সৃষ্টি হয়। মোহনীয় কৰ্মত আত্মা মোহৰ জালত আৱদ্ধ হৈ অশুভ কৰ্ম সম্পাদন কৰে। নাম কৰ্মৰ মাধ্যমত দৈহিক গঠন, শক্তি আৰু গুণ নিৰ্ধাৰিত হয়। গোত্ৰ কৰ্মৰ দ্বাৰা জাতি আৰু বংশ নিৰূপিত হয়। অন্তৰায় কৰ্মত জীৱৰ শুভ কৰ্মত অন্তৰায় সৃষ্টি হয়। আয়ুষ্য কৰ্মত জীৱৰ আয়ুষকাল নিৰ্ধাৰিত হয়।

বৌদ্ধ দৰ্শনত আত্মাৰ অস্তিত্ব স্বীকৃতি নহ'লেও কৰ্মবাদ স্বীকৃত। বৌদ্ধ দৰ্শনৰ কৰ্মবাদ প্ৰতীত্যসমুৎপাদৰেই আন এটা ৰূপ। বুদ্ধই তেওঁৰ কাৰ্যকাৰণ তত্ত্ব

বা প্ৰতীত্যসমুৎপাদৰ ভিত্তিতেই কৰ্মবাদ প্ৰৱৰ্তন কৰিছে। বুদ্ধৰ মতে কৰ্ম আৰু কৰ্মফল— এই দুয়োটাৰ মাজত আছে কাৰ্যকাৰণ সম্বন্ধ। অতীতৰ কৰ্মজাত সংস্কাৰৰ পৰাই বৰ্তমান জীৱনৰ উদ্ভৱ। বৰ্তমান জীৱন অতীত জীৱনৰ ফল; আকৌ ভৱিষ্যত জীৱন বৰ্তমান জীৱনৰেই ফল। কৰ্মবাদ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ মাজত ধাৰাবাহিকভাৱে কাম কৰি থাকে। পূৰ্বজন্ম, এই জন্ম, পৰজন্ম— মানুহৰ এই তিনি জন্মৰ যোগসূত্ৰ হ'ল তেওঁৰ কৃতকৰ্ম। বৌদ্ধ ভিক্ষুক নাগসেন 'মিলিন্দপন্‌হ' গ্ৰন্থত কৈছে, "কৰ্মৰ পাৰ্থক্যৰ বাবে সকলো মানুহ একেই ধৰণৰ নহয়। কোনোবাই স্বল্পায়ু, কোনোবাই দীৰ্ঘায়ু, কোনোবাই সুশ্ৰী, কোনোবাই কুৎসিৎ, কোনোবাই স্বাস্থ্যৱান, কোনোবাই ৰুগ্ন ইত্যাদি।" বৌদ্ধ মতে, মানুহৰ কৰ্মফল বিনিষ্ট নহয়, বৰং সঞ্চিত থাকে। এই জন্মত কৰ্মফল ভোগ শেষ নহ'লে পৰজন্মত তাক ভোগ কৰিবলগা হয়। বৌদ্ধ দৰ্শনেও সকাম আৰু নিষ্কাম কৰ্মক স্বীকাৰ কৰি কৈছে যে সকাম কৰ্মৰ কাৰণে জীৱই জন্মচক্ৰত আৱদ্ধ হয়। কিন্তু নিষ্কাম কৰ্মৰ মাধ্যমত জীৱই ভৱ সংসাৰৰ পৰা নিৰ্বাণ লাভ কৰিব পাৰে।

ন্যায়-বৈশেষিক দৰ্শনে কৰ্মবাদৰ এই নিয়মক 'অদৃষ্ট' (Adrṣṭa) বুলি অভিহিত কৰিছে। ন্যায়-বৈশেষিকৰ মতে কৰ্মবাদৰ এই নৈতিক নিয়মটোৱেই হৈছে অদৃষ্ট আৰু এই অদৃষ্টই জড় পৰমাণুবোৰক নিয়ন্ত্ৰিত কৰে আৰু জীৱৰ নিজ নিজ কৰ্মৰ নৈতিক ফল প্ৰদান কৰে। অদৃষ্টৰ প্ৰভাৱৰ ফলত কৰ্মৰ পৰা পাপ-পূণ্য উৎপন্ন হয়। কিন্তু এই অদৃষ্ট শক্তি অচেতন। অদৃষ্টই নিজে নিজে ফল উৎপাদন কৰিব নোৱাৰে। সেইকাৰণে ন্যায়-বৈশেষিক দাৰ্শনিকসকলে নিমিত্ত কৰাণৰূপে ঈশ্বৰক স্বীকাৰ কৰিছে। এই নিমিত্ত কাৰণৰ দ্বাৰাই কৰ্ম তাৰ ফল উৎপাদন কৰে। ঈশ্বৰে এই অচেতন অদৃষ্টক পৰিচালিত কৰি আমাৰ জন্ম তথা সুখ-দুখ আদি নিৰ্ণয় কৰে। কৰ্ম আৰু ইয়াৰ ফলৰ মাজত যে এটা আৱশ্যিক সম্বন্ধ আছে সি 'অদৃষ্ট' নামৰ নিয়মৰ দ্বাৰাই নিয়ন্ত্ৰিত বুলি ন্যায়-বৈশেষিক দাৰ্শনিকসকলে কয়।

মীমাংসা দৰ্শনত কৰ্মবাদৰ এই সনাতন নৈতিক নিয়মটোক 'অপূৰ্ব' (Apurva) বোলা হয়। মীমাংসা দৰ্শনৰ মতে কৰ্মৰ দ্বাৰা আত্মাৰ মাজত যি অদৃশ্য শক্তিৰ উদ্ভৱ হয়, তাক অপূৰ্ব বুলি কোৱা হয়। এই অপূৰ্ব আত্মাক কৰ্মফল প্ৰদান

কৰে। কৰ্ম আৰু তাৰ ফলৰ মাজত সম্বন্ধ স্থাপিত হয় অপূৰ্বৰ মাধ্যমত। মীমাংসা দাৰ্শনিকসকলৰ মতে সৎ কৰ্মানুষ্ঠান বা ধৰ্ম আৰু অসৎ কৰ্মানুষ্ঠান বা অধৰ্মৰ পৰাই অপূৰ্বৰ উদ্ভৱ হয়। যেতিয়ালৈকে কৰ্মীয়ে তেওঁৰ কৃতকৰ্মৰ ফল নাপায়, তেতিয়ালৈকে অপূৰ্ব আত্মাত সমবেত হৈ থাকে। মীমাংসা দৰ্শনৰ মতে বৈদিক বিধিসম্মত কৰ্ম সম্পাদনৰ ফলত ধৰ্ম উৎপন্ন হয়। গতিকে কৰ্মানুষ্ঠান ব্যতীত ধৰ্ম উৎপন্ন নহয় কাৰণে মীমাংসা দাৰ্শনিকসকলে কৰ্মানুষ্ঠানৰ ওপৰত অত্যধিক গুৰুত্ব দিছে। এই প্ৰসংগত মীমাংসকসকলে দুবিধ কৰ্মৰ উল্লেখ কৰিছে— অৰ্থকৰ্ম (Artha Karma) আৰু গুণকৰ্ম (Guna Karma)। যিবিলাক কৰ্মৰ দ্বাৰা জীৱাত্মাত শুভ অদৃষ্ট বা অপূৰ্ব উৎপন্ন হয়, সেইবোৰ কৰ্মক অৰ্থকৰ্ম বোলে। অৰ্থকৰ্ম আকৌ ত্ৰিবিধ— (১) নিত্য কৰ্ম, (২) নৈমিত্তিক কৰ্ম আৰু (৩) কাম্য কৰ্ম। যি কৰ্ম নিত্যদিন বা সদায় অনুষ্ঠিত কৰা হয়, তাক নিত্য কৰ্ম বোলে। যেনে— ত্ৰি সন্ধ্যা গায়ত্ৰীজপ বা সন্ধ্যা বন্দনা, উপসনা আদি। যি কৰ্ম বিশেষ ঘটনাৰ নিমিত্তে বা বিশেষ তিথিত সম্পাদিত হয়, তাক নৈমিত্তিক কৰ্ম বোলে। যেনে— শ্ৰাদ্ধ, উপনয়ন, গংগাস্নান ইত্যাদি। আনহাতে, কোনো বিশেষ ফলাফলৰ আশাত যি কৰ্ম সম্পাদিত হয়, তাক কাম্য কৰ্ম বোলে। যেনে— স্বৰ্গলাভৰ আশাত জ্যোতিষ্টোমাদি যজ্ঞানুষ্ঠান, পুত্ৰ লাভৰ ইচ্ছাত পুত্ৰেষ্টি যজ্ঞানুষ্ঠান আদি। গুণ কৰ্ম সম্পৰ্কে মীমাংসা দাৰ্শনিকসকলে কয় যে যাজ্ঞাদি বেদবিহিত কৰ্মৰ বাবে প্ৰয়োজনীয় দ্ৰব্যৰ সংস্কাৰ বিষয়ক কৰ্মক গুণ কৰ্ম বোলে। যেনে— যজ্ঞ প্ৰদত্ত চাউলৰ অৱহনন নামৰ সংস্কাৰ কৰ্মক গুণ কৰ্ম বোলে। মীমাংসা দৰ্শনত এই কৰ্মবোৰক অনুষ্ঠিত কৰ্ম বুলি স্বীকাৰ কৰা হৈছে। কিন্তু এই অনুষ্ঠিত কৰ্মৰ উপৰিও এনে কিছুমান কৰ্ম আছে যিবিলাক কৰ্ম অনুষ্ঠানৰ ক্ষেত্ৰত মীমাংসা দাৰ্শনিসকলে নিষেধ কৰিছে। এইবিলাক কৰ্মক নিষিদ্ধ কৰ্ম বোলে। যেনে— ব্ৰাহ্মণ হত্যা, হিংসা কৰা ইত্যাদি নিষিদ্ধ কৰ্ম।

ভাৰতীয় দৰ্শনৰ বৈদিক সম্প্ৰদায়ৰ আন আন সম্প্ৰদায় যেনে— সাংখ্য-যোগ আৰু বেদান্ত দৰ্শনতো কৰ্মবাদ স্বীকৃত। সাংখ্য-যোগ দৰ্শনৰ মতে কৰ্মই বিবেক জ্ঞানক আবৰি ৰাখে। যোগ সাধনৰ জৰিয়তে কৰ্ম আৱৰণক বিনাশ কৰি জীৱনৰ পৰমলক্ষ্য মোক্ষ লাভ সম্ভৱ বুলি এই দুই দৰ্শনে মত প্ৰকাশ কৰে। অদ্বৈত বেদান্ত দৰ্শনৰ মতে জীৱই কৰ্মৰ মাজেদি মায়াত আবদ্ধ হয় আৰু

ফলস্বৰূপে কৰ্মবন্ধনত পৰে। জীৱই তেওঁৰ নিজ কৰ্ম অনুসৰি কৰ্মফল ভোগ কৰে আৰু ঈশ্বৰে কৰ্মফল ভোগ কৰিবৰ বাবে এই জগতৰ সৃষ্টি কৰিছে। বিশিষ্টদ্বৈত বেদান্তৰ অভিমত অনুসৰি জীৱ বা আত্মাৰ বন্ধনৰ মূলতে হৈছে তেওঁৰ কৃতকৰ্ম। জীৱই কৰ্ম বন্ধনৰ কাৰণে বাৰে বাৰে নতুন শৰীৰ ধাৰণ কৰে। কিন্তু অজ্ঞনতা বিনাশ কৰি জীৱই কৰ্মবন্ধনৰ পৰা মুক্ত হৈ মোক্ষ লাভ কৰিব পাৰে।

কৰ্মবাদৰ মৰ্যাদা সম্পৰ্কে ভাৰতীয় দাৰ্শনিকসকলৰ মাজত মতভেদ আছে। অৰ্থাৎ কৰ্ম নিয়ম স্বাধীন নে পৰাধীন এই সম্পৰ্কে ভাৰতীয় দাৰ্শনিসকলৰ মাজত মতপাৰ্থক্য আছে। জৈন, বৌদ্ধ, সাংখ্য আৰু মীমাংসা দৰ্শনৰ মতে কৰ্মবাদ এটা স্বাধীন আৰু স্বতন্ত্ৰ নিয়ম। এই নিয়ম ঈশ্বৰ নিৰপেক্ষ। ঈশ্বৰৰ নিয়ন্ত্ৰনবিহীনভাৱে শাশ্বত আৰু অলংঘনীয় কৰ্মনিয়ম অনুসৰি সমগ্ৰ বিশ্বজগত, জড়জগত আৰু জীৱজগত পৰিচালিত হয়। কিন্তু ন্যায়-বৈশেষিক দাৰ্শনিকসকলৰ মতে কৰ্মনিয়ম ঈশ্বৰ নিয়ন্ত্ৰিত অৰ্থাৎ পৰতন্ত্ৰ। কৰ্ম নিয়ম অনুসৰি ঈশ্বৰে জগত সৃষ্টি কৰিছে। এই জগতত জীৱ তেওঁৰ নিজ কৰ্ম অনুযায়ী ফল ভোগ কৰে। ন্যায়-বৈশেষিক দাৰ্শনিকসকলৰ মতে অদৃষ্ট অৰ্থাৎ কৰ্মনিয়ম হ'ল এক অন্ধ, অচেতন নিয়ম যি সঠিক পথত পৰিচালিত হ'ব নোৱাৰে। এই অদৃষ্ট শক্তিক নিয়ন্ত্ৰণ কৰাৰ বাবে এক চেতন সত্তাৰ প্ৰয়োজন হয় আৰু এই চেতন সত্তা হ'ল ঈশ্বৰ। ঈশ্বৰৰ দ্বাৰাই কৰ্ম নিয়ম পৰিচালিত হয়। গতিকে কৰ্মনিয়ম পৰতন্ত্ৰ বা পৰাধীন। অৱশ্যে কৰ্মনিয়মৰ স্বতন্ত্ৰতাকলৈ ভাৰতীয় নীতিবিদসকলৰ মাজত মতবিৰোধ থাকিলেও এই সম্বন্ধে সকলোৱে একমত যে, কৰ্মবাদৰ এই নিয়ম সকাম কৰ্মৰ ক্ষেত্ৰহে প্ৰযোজ্য; নিষ্কাম কৰ্মৰ ক্ষেত্ৰত কৰ্মনিয়ম প্ৰযোজ্য নহয়।

## শ্ৰীমদ্ভগবদ্‌গীতাৰ কৰ্মবাদ

### (Karmavada of Bhagavatgita)

শ্ৰীমদ্ভগবদ্‌গীতা এখন কৰ্মযোগ শাস্ত্ৰ। গীতাৰ কৰ্মবাদ এক সুবিখ্যাত নৈতিক মতবাদ। এই মতবাদত কামনা-বাসনাক জয় কৰি কৰ্তব্য কৰ্ম বা স্বধৰ্ম পালনৰ জৰিয়তে কেনেদৰে মোক্ষ লাভ কৰা যায় তাৰ সুমধুৰ ব্যাখ্যা পোৱা যায়। গীতাৰ মতানুসাৰে কৰ্মই মানুহৰ ধৰ্ম। কৰ্মবিহীন জীৱন-যাপন

কোনোপধ্যেই সম্ভৱ নহয়। কৰ্মবিহীন হৈ মানুহে এক বিন্দুও থাকিব নোৱাৰে। প্ৰাকৃতিক বা স্বাভাৱিক গুণৰ বাবে মানুহে কৰ্ম কৰে বা কৰিবলৈ বাধ্য হয়। ত্ৰিগুণাত্মিকা প্ৰকৃতি মানুহক কৰ্মহীন হৈ থাকিব নিদিয়ে। গীতাই কেতিয়াও ব্যক্তিৰ নিষ্ক্ৰিয়তা বা কৰ্মত্যাগক সমৰ্থন নকৰে, বৰং গীতাত কৰ্মৰ মাহাত্ম্য ব্যক্ত কৰা হৈছে এইদৰে—

*ন হি কশ্চিৎ ক্ষণমপি জাতু তিষ্ঠত্যকৰ্মকৃৎ।*
*কাৰ্যতে হ্যৱশঃ কৰ্ম সৰ্বঃ প্ৰকৃতিজৈৰ্গুণৈঃ।।* (৩।৫)

অৰ্থাৎ *"মানুহে কেতিয়াও ক্ষণকালৰ বাবেও কৰ্ম নকৰি থাকিব নোৱাৰে। কাৰণ প্ৰকৃতিৰ গুণৰ দ্বাৰা বশংৱতী হৈ সকলোৱে কৰ্ম কৰিবলৈ বাধ্য হয়।"* গতিকে যাৱতীয় কৰ্মানুষ্ঠানৰ পৰা বিৰত থকা কোনো মানুহৰ পক্ষে সম্ভৱ নহয়। সেইকাৰণে কৰ্মত্যাগ কোনোপধ্যেই সম্ভৱ নহয়; কৰ্ম মানুহে কৰিবই লাগিব। নিজৰ কৰ্মৰ দ্বাৰাহে মানুহে পৰমসত্তাক লাভ কৰিব পাৰে। গতিকে তেওঁ কিবা নহয় কিবা কৰ্ম কৰিবই লাগিব। যদি তেওঁ কৰ্ম নকৰে, তেনেহ'লে তেওঁৰ শৰীৰৰ নিৰ্বাহ সম্ভৱ নহয়—

*নিয়তং কুৰু কৰ্ম ত্বং কৰ্ম জ্যায়ো হ্যকৰ্মণঃ।*
*শৰীৰয়াত্ৰাপি চ তে ন প্ৰসিদ্ধ্যেদকৰ্মণঃ।। (৩/৮)*

অৰ্থাৎ "তুমি নিয়ত কৰ্ম কৰা, কৰ্মশূন্যতাৰ তুলনাত কৰ্ম শ্ৰেষ্ঠ। কৰ্ম নকৰিলে তোমাৰ শৰীৰ ধাৰণ কৰি থকাটো সম্ভৱ নহয়।" আমি যিহেতু কৰ্মবিহীন ভাৱে ক্ষণকালৰ বাবেও থাকিব নোৱাৰোঁ, গতিকে প্ৰত্যেকেই নিয়তকৰ্ম অৰ্থাৎ শাস্ত্ৰবিহিত কৰ্তব্যকৰ্ম পালন কৰা উচিত।

প্ৰাচীন শাস্ত্ৰবোৰতে কৰ্মবাদৰ এই নিৰ্দেশনা পোৱা যায়। মনুৰ মতেও, মানুহে আলস্যৰহিত হৈ বেদোক্ত স্বকৰ্ম কৰি থকা উচিত (মনুস্মৃতি, ৪.১৪০)। উপনিষদতো সমগ্ৰ জীৱন কৰ্মৰত থাকিবলৈ উপদেশ দিয়া হৈছে (কুৰ্বন্নেবেহ কৰ্মাণি জিজীবিষেচ্ছতং সমাঃ— ঈশোপনিষদ)। কৰ্মৰ দ্বাৰাই আমাৰ জাগতিক সম্বন্ধ সুস্থিৰ হয়। মানুহে নিজৰ প্ৰবৃত্তিৰ অনুসৰণ কৰে। মানৱ প্ৰবৃত্তি শুভ-অশুভ, সৎ-অসৎ, ৰাগ-বিৰাগ, উদাৰতা-অনুদাৰতা ইত্যাদিৰ সমন্বয়। কৰ্ম-অকৰ্ম মানুহৰ দুৰ্বলতা। তেওঁ এইবোৰ নকৰে, কিন্তু তেওঁৰ দ্বাৰা সম্পাদিত হৈ যায়। মহাভৰততো কোৱা হৈছে যে— 'জনামি ধৰ্ম ন চ মে প্ৰবৃত্তিৰ্জানম্যধৰ্ম ন চ মে

নিবৃত্তিঃ' (মহাভাৰত, শান্তিপৰ্ব)। অৰ্থাৎ 'মই জানো ধৰ্ম কি? কিন্তু সেইফালে মোৰ মনোযোগ নাথাকে; মই জানো অধৰ্ম কি? কিন্তু ইয়াৰ পৰা দূৰত থাকিব নিবিচাৰো।'

শ্ৰীমদ্ভগৱদ্গীতাত মানৱ জীৱনত কৰ্মৰ মহত্ত্ব স্বীকাৰ কৰা হৈছে। কৰ্মৰ দ্বাৰাই ব্যক্তি জগতৰ লগত সম্বন্ধিত হয় আৰু কৰ্মই মানুহক ইহজগতৰ পৰা মুক্তি দিয়ে। গীতাত যি কৰ্মবাদ প্ৰচাৰিত হৈছে সি জগতৰ ভৌতিক তত্ত্বৰ লগত সম্পৰ্কিত নহয়। ভৌতিক ইন্দ্ৰিয়ৰ দ্বাৰা প্ৰাপ্ত সুখ ৰজোগুণ প্ৰধান, কিন্তু অতীন্দ্ৰিয় আধ্যাত্মিক সুখ সত্ত্বগুণ প্ৰধান হয়। গতিকে কৰ্মবাদৰ নৈতিকতা হ'ল ঈশ্বৰ, মানুহ আৰু প্ৰকৃতিৰ লগত যথাৰ্থ ঐক্যৰ অভিব্যক্ত হোৱা। বিশ্বজগতৰ ঐক্যতা প্ৰতিষ্ঠাই গীতাৰ মূল আধাৰভূত সিদ্ধান্ত। পূৰ্ণতাৰ প্ৰগতিয়ে পূৰ্ণ আৰু ইয়াৰ ভিন্নতাই পাপ। ইয়াতেই বৌদ্ধধৰ্ম আৰু গীতাৰ মাজত থকা তাত্ত্বিক পাৰ্থক্য। এটাই নৈতিকতাৰ ওপৰত গুৰুত্ব দিয়ে আৰু আনটোৱে পূৰ্ণতাৰ প্ৰেৰণা দিয়ে।

গীতাত 'কৰ্ম' শব্দৰ প্ৰয়োগ বৰ্ণৰ দ্বাৰা নিৰ্ধাৰিত কৰ্তব্যক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে—

*ব্ৰাহ্মণক্ষত্ৰিয়বিশাং শূদ্ৰাণাং চ পৰন্তপ।*
*কৰ্মাণি প্ৰবিভক্তানি স্বভাৱপ্ৰভৱৈৰ্গুণৈঃ।। (১৮/৪১)*

অৰ্থাৎ "হে পৰন্তপ, তেওঁলোকৰ স্বভাৱৰ পৰা উৎপন্ন হোৱা গুণসমূহৰ ভিত্তিত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকলৰ কৰ্মসমূহ ভাগ ভাগ কৰি নিৰ্দিষ্ট কৰা হৈছে।" প্ৰকৃতিৰ গুণানুসৰি এই স্বাভাৱিক ভেদ প্ৰদৰ্শিত হৈছে, কাৰণ গীতাত এই কথা কোৱা হৈছে যে, অব্যক্ত প্ৰকৃতি আৰু তাৰ পৰা উৎপন্ন গুণানুসৰি কৰ্ম সম্পাদিত হয়। নিজৰ অজ্ঞতা আৰু মিথ্যা অভিমানৰ বাবে মানুহে নিজকে কোনো কৰ্মৰ কৰ্তা হিচাপে জ্ঞান কৰে—

*প্ৰকৃতেঃ ক্ৰিয়মাণানি গুণৈঃ কৰ্মাণি সৰ্বশঃ।*
*অহংকাৰবিমূঢ়াত্মা কৰ্তাহমিতি মন্যতে।। (৩/২৭)*

অৰ্থাৎ "মিছা অহংকাৰৰ ফলত বিভ্ৰান্ত হৈ থকা আত্মাটোৱে প্ৰকৃতিৰ গুণ তিনিটাৰ দ্বাৰা সম্পাদিত সকলোবিলাক কামৰে 'ময়েই কৰ্তা' বুলি ভাবি লয়।" কিন্তু শৰীৰ হ'ল পৰমাত্মাৰ নিৰ্দেশ অনসাৰে গঠিত, প্ৰকৃতি-প্ৰদত্ত। গতিকে এই

শৰীৰৰ দ্বাৰা সম্পাদিত সকলো ক্ৰিয়াই কৰ্ম। এনে কৰ্ম কৰাৰ বাবে মানব শৰীৰ বাধ্য। ইয়াত আত্মাই একোৱেই নকৰে। গতিকে আমাৰ কৰ্ম আমাৰ নিজৰ কৰ্ম নহয়। সমস্ত কৰ্ম ঈশ্বৰৰ। গীতাৰ মতে—

*প্ৰকৃত্যৈব চ কৰ্মাণি ক্ৰিয়মাণানি সৰ্বশঃ।*
*যঃ পশ্যতি তথাত্মানমকৰ্তাৰং স পশ্যতি।। (১৩/৩০)*

অৰ্থাৎ "প্ৰকৃতিয়ে সমস্ত প্ৰকাৰৰ কৰ্ম সম্পাদান কৰে আৰু আত্মা হ'ল অকৰ্তা। এই তত্ত্ব যিয়ে দৰ্শন কৰে তেৱেঁই প্ৰকৃততে যথাৰ্থদৰ্শী।" যিজনে দেখিবলৈ পাইছে যে জড়প্ৰকৃতিৰ দ্বাৰা গঠিত দেহটোৱে সকলো কৰ্ম কৰিছে, আত্মাই একোৱে কৰা নাই, তেৱেঁই প্ৰকৃততে গীতাৰ কৰ্মবাদৰ মহত্ত্বক বুজিবলৈ পাইছে। গতিকে দেখা যায় যে, গীতাৰ কৰ্মবাদ অনুসৰি মানব দেহৰ দ্বাৰা সম্পাদিত সকলো কৰ্মৰ গৰাকী ঈশ্বৰ, মানবাত্মাই যথাৰ্থতে একোৱে নকৰে।

শ্ৰীমদ্ভগৱদ্গীতাৰ মতানুসাৰে প্ৰত্যেক কৰ্মৰে পাঁচটা কাৰণ থাকে। এই কাৰণসমূহ হ'ল— অধিষ্ঠান বা স্থান (দেহ), কৰ্তা, বিভিন্ন ইন্দ্ৰিয়, বিভিন্ন প্ৰকাৰৰ প্ৰচেষ্টা আৰু পৰমাত্মা। এই পাঁচটা কাৰণ সকলো কাৰণতে নিহিত থাকে। গীতাৰ মতে—

*অধিষ্ঠানং তথা কৰ্তা কৰণং চ পৃথগ্বিধম।*
*বিবিধাশ্চ পৃথক্ চেষ্টা দৈৱং চৈৱাত্ৰ পঞ্চমম্।। (১৮/১৪)*

অৰ্থাৎ "কৰ্মৰ অধিষ্ঠান (দেহটো), কৰ্মকৰ্তাজন, বিভিন্ন ইন্দ্ৰিয়সমূহ, বিভিন্ন ধৰণৰ চেষ্টা আৰু সৰ্বশেষত পৰমাত্মা— এই কেইটা হ'ল কৰ্ম সুসম্পন্ন হোৱাৰ বিভিন্ন কাৰণ।" আমাৰ সকলো কৰ্ম এই পাঁচটা কাৰণৰ সমষ্টিতে সম্পাদিত হয়। মানুহে শৰীৰ, মন বা বাণীৰ দ্বাৰা যি শুভ বা অশুভ কৰ্ম সম্পাদন কৰে, সেই সকলো কৰ্ম এই পাঁচ প্ৰকাৰৰ কাৰণৰ ফলস্বৰূপে উৎপন্ন হয়। গতিকে কৰ্ম সন্দৰ্ভত এইটো ভবাটো ভুল যে আত্মাই সকলো কৰ্মৰে কৰ্তা। যিজনে পাঁচটা কাৰণৰ কথা নাভাবি কেৱল নিজকে কৰ্তা বুলি ভাবে, সেই মুৰ্খই নিজৰ বুদ্ধিহীনতাৰ ফলত জগতৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব নোৱাৰে। কিন্তু যাৰ অহংকাৰ নাই, যাৰ বুদ্ধি কলুষিত নহয়, তেওঁ এই জগতত ইমান বিলাক কৰ্ম কৰিলেও কৰ্মবন্ধনত কেতিয়াও আবদ্ধ নহয়। জ্ঞান, জ্ঞেয় আৰু পৰিজ্ঞাতা'— এই তিনিবিধ হ'ল কৰ্মৰ অনুপ্ৰেৰণা। কৰণ (ইন্দ্ৰিয়), কৰ্ম আৰু কৰ্তা— এই

তিনিটা উপাদান গোট খাই কৰ্ম সম্পাদিত হয়।” এইবোৰক ক্ৰমে ত্ৰিবিধ অনুপ্ৰেৰণা (threefold incitement of action) আৰু কৰ্ম সম্পাদনৰ ত্ৰিবিধ ভিত্তি (threefold composite of action) বুলি কোৱা হয়। গীতাৰ মতে—

*জ্ঞানং জ্ঞেয়ং পৰিজ্ঞাতা ত্ৰিৱিধা কৰ্মচোদনা।*
*কৰণং কৰ্ম কৰ্তেতি ত্ৰিৱিধঃ কৰ্মসংগ্ৰহঃ।। (১৮/১৮)*

অৰ্থাৎ “জ্ঞান, জ্ঞেয় আৰু পৰিজ্ঞাতা— এই তিনিটা হ’ল কৰ্মচোদনা অৰ্থাৎ কৰ্মপ্ৰৱৰ্তক বা কৰ্ম প্ৰবৃত্তিৰ হেতু। কৰণ, কৰ্ম, কৰ্তা— এই তিনিটা কমসংগ্ৰহ বা ক্ৰিয়াৰ আশ্ৰয়।”

এতিয়া এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হ’ল— যদি জীৱাত্মা কৰ্মৰ কৰ্তা নহয়, তেনেহ’লে কৰ্তাই কৰ্মফল ভোগ কৰে কিয়? এই ক্ষেত্ৰত গীতাৰ উত্তৰ স্পষ্ট। কৰ্তা সদায় কৰ্মফল ভোক্তা। যি কামনা অৰ্থাৎ অভিপ্ৰায়েৰে কৰ্ম সম্পাদন কৰা হয়, তাৰ ফল কৰ্তাই ভোগ কৰিবই লাগিব; কাৰণ এইবোৰ হ’ল কৰ্তাৰ বাসনা অৰ্থাৎ কৰ্তাৰ ফলকাংক্ষা বা আসক্তি। কৰ্মফলৰ প্ৰতি আসক্তি বা ফলাফলৰ বাসনাৰ কাৰণে কৰ্তাই কৰ্মফল ভোগ কৰিবলগীয়া হয়। কৰ্মফলৰ পৰা কেতিয়াও কৰ্তাই মুক্তি নাপায়। বহুতে এনেকৈ ভাবিব পাৰে যে, আমি যদি কৰ্ম নকৰো, তেন্তে কৰ্মফলৰ পৰা মুক্তি পাম। কিন্তু গীতাত কৰ্মফলৰ পৰা মুক্তি পাবলৈ কেতিয়াও কৰ্মত্যাগৰ কথা কোৱা হোৱা নাই। গীতাৰ মতে, কৰ্মসন্ন্যাসতকৈ শ্ৰেষ্ঠ হ’ল কৰ্মযোগ। কৰ্মৰ ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে কৰ্মানুষ্ঠান— এই দুয়োটাই মোক্ষ লাভৰ বাবে কল্যাণকৰ। কিন্তু কৰ্মত্যাগতকৈ সেৱাৰ মনোভাৱেৰে কৰ্ম কৰাৰ আদৰ্শ অধিক ভাল। গীতাত ইয়াক স্পষ্ট কৰা হৈছে এইদৰে—

*সন্ন্যাসঃ কৰ্ময়োগশ্চ নিঃশ্ৰেয়সকৰাবুভৌ।*
*তয়োস্তু কৰ্মসন্ন্যাসাৎ কৰ্মযোগো ৱিশিষ্যতে।। (৫/২)*

অৰ্থাৎ “কৰ্মসন্ন্যাস আৰু কৰ্মযোগ উভয়ে মোক্ষপ্ৰদ, কিন্তু উভয়ৰে মাজত কৰ্মসন্ন্যাসৰ তুলনাত কৰ্মযোগেই শ্ৰেষ্ঠ।”

গীতা মতে, আমাৰ কৰ্মতহে কেৱল অধিকাৰ আছে, কৰ্মফলৰ প্ৰতি আমাৰ কোনো অধিকাৰ নাই। কোনো ব্যক্তিয়ে কেতিয়াও কৰ্মফলৰ কাৰণ স্বৰূপে নিজকে দাবী কৰা উচিত নহয় আৰু কেতিয়াও কৰ্মত্যাগৰ প্ৰতি ইচ্ছা ব্যক্ত কৰাও

উচিত নহয়। আমি কেৱল ফলাকাংক্ষা বা কৰ্মৰ কৰ্তৃত্ব ত্যাগ কৰিব লাগে আৰু সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰিব লাগে। এইদৰে কৰ্ম সম্পাদন কৰিলেহে জীৱনৰ পৰম পুৰুষাৰ্থ মোক্ষ লাভ কৰিব পৰা যায়। গীতাত ইয়াৰ ব্যক্ত কৰা হৈছে এইদৰে—

*কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।*
*মা কৰ্মফলহেতুৰ্ভূৰ্মা তে সংগোহস্তকৰ্মণি।। (২।৪৭)*

অৰ্থাৎ "কৰ্মতেই তোমাৰ অধিকাৰ, কৰ্মফলত তোমাৰ কোনো অধিকাৰ নাই। কৰ্মফল যেন তোমাৰ কৰ্ম প্ৰবৃত্তিৰ হেতু নহয়, কৰ্মত্যাগো যেন তোমাৰ প্ৰবৃত্তি নহয়।"

ইয়াৰ মূল তাৎপৰ্য হ'ল এয়ে যে, আসক্তিবিহীনভাৱে যিয়ে কৰ্ম কৰে তেওঁৰ কোনো ধৰণৰ অনিষ্ট সাধনৰ আশংকা নাথাকে। গীতাৰ মতে, মানুহে সদায় কৰ্মফলৰ আসক্তি ত্যাগ কৰি কৰ্ম কৰা উচিত। কিছুমান পণ্ডিতে কামকৰ্ম ত্যাগকে সন্ন্যাস বুলি কৈছে, কিন্তু গীতাৰ মতানুসৰি সকলো কৰ্মৰ ফলৰ আশা ত্যাগ কৰাই সন্ন্যাস। কৰ্মৰ কৰ্তৃত্বৰ অভিমান পৰিত্যাগ কৰি কৰ্ম কৰা উচিত, কাৰণ সকলো জীৱ অব্যক্ত প্ৰকৃতিৰ গুণৰ বশৱৰ্তী হৈ কৰ্ম কৰে। গুণানুসৰি মানুহে নিজৰ ইচ্ছা-অনিচ্ছাৰ বশৱৰ্তী হৈ কৰ্ম সম্পন্ন কৰে। গতিকে কৰ্তৃত্বৰ অভিমান কৰি কি লাভ? গতিকে গীতাৰ দৃষ্টিত ভৌতিক ইচ্ছাৰ ওপৰত আধাৰিত কাম্যকৰ্ম ত্যাগকে পণ্ডিতসকলে সন্ন্যাস বুলি কৈছে আৰু সমস্ত কৰ্মৰ ফল ত্যাগকে সূক্ষ্মদৰ্শীসকলে ত্যাগ বুলি কোৱা হৈছে—

*কাম্যনাং কৰ্মণাং ন্যাসং সংন্যাসং কৱয়ো বিদুঃ।*
*সৰ্বকৰ্মফলত্যাগং প্ৰাহুস্ত্যাগং বিচক্ষণাঃ।। (১৮/২)*

অৰ্থাৎ "কাম্যকৰ্মৰ (সকাম কৰ্মৰ) ত্যাগকে পণ্ডিতসকলে সন্ন্যাস বুলি কৈছে আৰু সকলো কৰ্মৰ ফলত্যাগকে সূক্ষ্মদৰ্শীসকলে ত্যাগ বুলি কৈছে।" গতিকে যিয়ে ফলত্যাগ কৰে, তেওঁ সকলো কৰ্ম কৰিলেও প্ৰকৃতপক্ষে সন্ন্যাসী। মানুহৰ উচিত নিজৰ সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰা। তেওঁ যি কৰে, যি খায়, যি অৰ্পণ কৰে, দান দিয়ে, ব্ৰত কৰে ইত্যাদি প্ৰতিটো ক্ৰিয়াই ঈশ্বৰত সমৰ্পণ কৰাই বুদ্ধিমানৰ কাম।

*যৎকৰোষি যদশ্নাসি যজ্জুহোষি দদাসি যৎ।*

*য়ত্তপস্যসি কৌন্তেয় তৎকুৰুষ মদৰ্পণম্।। (৯/২৭)*

অৰ্থাৎ "হে কৌন্তেয়, তুমি যিহকে কৰা, যিহকে ভোজন কৰা, যিহকে যজ্ঞত আহুতি দিয়া, যিহকে দান কৰা, যিহকে তপস্যা কৰা, সেই সকলোবিলাক মোৰ নামত অৰ্পণ কৰিবা।"

গীতাক অনাসক্ত ভাবেৰে কৰ্ম কৰাৰ পৰামৰ্শ দিয়া হৈছে। ফলাকাংক্ষা ত্যাগ কৰি আৰু কৰ্মফল ঈশ্বৰত উচৰ্গা কৰা মনোভাবেৰে ব্যক্তিয়ে নিজকে পবিত্ৰ কৰি তুলিব পাৰে। মানুহে তেজেৰে নিজৰ হৃদয় নিৰ্মল কৰি তুলিবলৈ সক্ষম নহ'ব পাৰে, কিন্তু মনত থকা কামনা-বাসনা পৰিত্যাগ কৰি যিকোনো ব্যক্তিয়ে নিজৰ হৃদয়ক পবিত্ৰ কৰিব পাৰে। সেইকাৰণে গীতাত ব্ৰহ্মচৰ্য পালন আৰু দৈহিক ভোগ ত্যাগ কৰাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। কৰ্ম আত্মকেন্দ্ৰিক হওক বা জনকল্যাণমূলক, কৰ্ম কৰাটো প্ৰত্যেক ব্যক্তিৰে পবিত্ৰ কৰ্তব্য। কিন্তু গীতাৰ যি উপদেশ সেই মতে আমি কেৱল নিঃস্বাৰ্থভাৱে আৰু অনাসক্ত হৈ পৰমব্ৰহ্মৰ নিৰ্দেশ অনুসাৰে কৰ্ম কৰি থাকিব লাগে।

গীতাৰ কৰ্মবাদ মূলত নিষ্কামকৰ্মৰ আদৰ্শৰ দ্বাৰা পৰিচালিত (নিষ্কামকৰ্ম সম্পৰ্কে পৰৱৰ্তী এক অধ্যায়ত বিস্তাৰিত আলোচনা কৰা হৈছে)। কৰ্মফলৰ আশা ত্যাগ কৰি সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰি নিঃস্বাৰ্থভাৱে আৰু আসক্তিহীনভাৱে সম্পাদন কৰা কৰ্মই নিষ্কাম কৰ্ম। নিষ্কাম কৰ্মই যথাৰ্থ মুক্তিৰ পথ। গীতা মতে, নিষ্কামভাৱে সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰা উচিত। আনকি, মুক্তিকামী আৰু মোক্ষপ্ৰাপ্ত ব্যক্তিও কৰ্ম কৰা উচিত। তেওঁলোকে জগতৰ ৰক্ষাৰ্থে, মানৱ জাতিৰ কল্যাণাৰ্থে, এক কথাত 'লোকসংগ্ৰহ'ৰ নিমিত্তে কৰ্ম কৰা উচিত। গীতা মতে, নিষ্কাম কৰ্মত দুটা লক্ষ্য নিহিত থাকে— আত্মলাভ আৰু ঈশ্বৰপ্ৰাপ্তি। আত্মলাভৰ তাৎপৰ্য ব্ৰাহ্মী-স্থিতিৰ উপলব্ধি। কৰ্মযোগীৰ বাবে এয়াই সৰ্বশ্ৰেষ্ঠ উপলব্ধি। ইয়াৰ দ্বাৰা মোক্ষ প্ৰাপ্তি হয়—

*এষা ব্ৰাহ্মী স্থিতিঃ পাৰ্থ নৈনাং প্ৰাপ্য ৱিমুহ্যতি।*
*স্থিত্বাস্যামন্তকালেঽপি ব্ৰহ্মনিৰ্ৱাণমৃচ্ছতি।। (২/৭২)*

অৰ্থাৎ "হে পাৰ্থ, এইটোৱে ব্ৰাহ্মীস্থিতি (ব্ৰহ্মজ্ঞানত অৱস্থান)। এই অৱস্থা প্ৰাপ্ত হ'লে জীৱৰ আৰু কোনো মোহ নাথাকে। মৃত্যুকালতে তেওঁ এই অৱস্থাত থাকি ব্ৰহ্মনিৰ্বাণ বা ব্ৰহ্মত মিলনৰূপ মোক্ষ লাভ কৰে।"

এইদৰে ঈশ্বৰপ্ৰাপ্তিৰ অৰ্থ হ'ল— ঈশ্বৰৰ লগত একাত্মৰ অনুভূতি। গীতাৰ মতে, যিজনে জীৱনৰ শেষ কালত কেৱল ঈশ্বৰকে স্মৰণ কৰোতে কৰোতে দেহত্যাগ কৰে, তেওঁ তৎক্ষণাৎ ঈশ্বৰতত্ত্বৰ স্বভাৱ লাভ কৰে। যেনে—

*অন্তকালে চ মামেৱ স্মৰন্ মুক্ত্বা কলেৱৰম্।*
*য়ঃ প্ৰয়াতি স মদ্ভাৱং য়াতি নাস্ত্যত্ৰ সংশয়ঃ।। (৮/৫)*

আত্মলাভ আৰু ঈশ্বৰপ্ৰাপ্তি উভয়ৰে লক্ষ্য অভিন্ন। যদিও আত্মলাভৰ দৃষ্টিভংগী জ্ঞানপ্ৰধান আৰু ঈশ্বৰপ্ৰাপ্তিৰ দৃষ্টিভংগী ভক্তিপ্ৰধান, তথাপিও গীতাই সমন্বয়মূলক দৃষ্টিকোণৰ পৰা এইটো নিৰ্দেশ দিছে যে আমি যি স্থিতিতে নাথাকোঁ কিয়, বুদ্ধিযোগে ঈশ্বৰৰ চৰণত আত্ম-সমৰ্পণ কৰি সকলো কৰ্ম কৰি থকা উচিত। গীতাত প্ৰতিপাদিত ভগৱতপ্ৰাপ্তিৰ সকলো সাধনত কৰ্মফল ত্যাগৰূপী নিষ্কাম কৰ্মযোগৰ বিধান আছে। ফলাফল নিৰপেক্ষভাৱে যি ব্যক্তিয়ে নিষ্কাম কৰ্ম কৰে, তেওঁ শেষত ঈশ্বৰৰ লগত তাদাত্ম্য সম্বন্ধ স্থাপন কৰি ব্ৰহ্মতত্ত্ব লাভ কৰে।

কিন্তু সমস্যা হ'ল— মানুহ নিজৰ প্ৰকৃতিজাত কৰ্মত বন্ধা হোৱা কাৰণে কৰ্ম কৰাৰ ক্ষেত্ৰত সদায় পৰাধীন, নিজৰ ইচ্ছা বা সংকল্পৰ বিপৰীত হোৱা সত্ত্বেও তেওঁ কৰ্ম কৰিবলগীয়া হয়। অব্যক্ত প্ৰকৃতিয়ে তেওঁক কৰ্মত প্ৰবৃত্ত কৰে। গতিকে মানুহে কৰ্মত্যাগ কেনেকৈ কৰিব পাৰে? সকাম বা নিষ্কাম আদি সকলোৱে কৰ্মই। কোনো কৰ্মই সম্পূৰ্ণৰূপে নিৰ্দোষ আৰু সমালোচনাবিহীন হ'ব নোৱাৰে। সেইকাৰণে গীতাত কৰ্মশুদ্ধিৰ উপায় হিচাপে কামনা-বাসনা আৰু আসক্তিক সম্পূৰ্ণৰূপে ত্যাগ কৰিবলৈ কোৱা হৈছে। এই সম্পৰ্কত গীতাৰ স্পষ্ট কথা হ'ল— সকলো কৰ্মই অব্যক্ত প্ৰকৃতিৰ কাৰণে সম্ভৱ হয়, তথাপিও মানুহে অনন্য ভাবেৰে সকলো কৰ্মফল ঈশ্বৰৰ ওচৰত অৰ্পণ কৰি অনাসক্ত ভাবেৰে পৰমলক্ষ্য উপনীত হ'ব পাৰে। ইয়ে ঈশ্বৰপ্ৰাপ্ত মানুহৰ ব্ৰাহ্মীস্থিতি, ইয়ে তেওঁৰ পৰম শান্তিৰ অৱস্থা। মোক্ষ লাভৰ ইয়ে উপযুক্ত পথ।

## কৰ্ম, অকৰ্ম আৰু বিকৰ্ম

**(Karma, Akarma and Vikarma)**

শ্ৰীমদ্ভগৱদ্গীতাৰ কৰ্মতত্ত্বৰ কিছুমান আৱশ্যকীয় প্ৰত্যয় হৈছে কৰ্ম, অকৰ্ম আৰু বিকৰ্ম। নিষ্কামকৰ্মৰ শিক্ষা প্ৰদানৰ উদ্দেশ্যে ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক